দেশ

চিকিৎসকৰ বিবাহ সন্দর্ভত জাৰি কৰা নির্দেশ প্রত্যাহাৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ

ডিব্রুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ মেডিচিন বিভাগে স্নাতকোত্তৰ প্রশিক্ষার্থীসকলক বিবাহ পিছুৱাবলৈ দিয়া নির্দেশনা প্রত্যাহাৰ কৰিছে।

প্রকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৯



Assam Medical College and Hospital (SOCIAL MEDIA)

গুৱাহাটী, ১৯ নৱেম্বৰ: স্নাতকোত্তৰ প্রশিক্ষণৰ সময়ছোৱাত বিবাহৰ দৰে ব্যক্তিগত জীৱনৰ গুৰুত্বপূর্ণ বিষয় পিছুৱাই ৰাখিবলৈ দিয়া নির্দেশনা প্রত্যাহাৰ কৰিছে ডিব্রুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ মেডিচিন বিভাগে। বিভাগটোৰ মুৰব্বী প্রশান্ত দিহিঙীয়াই ১৮ নৱেম্বৰত এই সন্দর্ভত নির্দেশ জাৰি কৰাৰ কেইঘণ্টামানৰ ভিতৰতে নতুন নির্দেশযোগে পূর্বৰ আদেশখন বাতিল কৰে।

নতুন নির্দেশত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে, মেডিচিন বিভাগৰ স্নাতকোত্তৰ প্রশিক্ষার্থীসকলৰ আবাসিক প্রশিক্ষণকালত ব্যক্তিগত বিষয় সন্দর্ভত জাৰি কৰা পৰামর্শমূলক কার্যালয় আদেশখন তৎক্ষণাতে প্রত্যাহাৰ কৰা হৈছে। নতুন জাননী জাৰি হোৱাৰ তাৰিখৰ পৰাই পূর্বৰ আদেশখন বাতিল বুলি গণ্য কৰা হ’ব।

উল্লেখ্য যে, পূর্বৰ নির্দেশটোত সাধাৰণ মেডিচিনৰ স্নাতকোত্তৰ প্রশিক্ষার্থীসকলক আবাসিক প্রশিক্ষণ সফলতাৰে সম্পূর্ণ নোহোৱালৈকে বিবাহৰ দৰে ব্যক্তিগত জীৱনৰ গুৰুত্বপূর্ণ বিষয় পিছুৱাই ৰাখিবলৈ নির্দেশ দিয়া হৈছিল। এই

নির্দেশক লৈ চিকিৎসক মহলত প্রতিক্রিয়াৰ সৃষ্টি হয়।

সর্বভাৰতীয় চিকিৎসক সন্থা ফেডাৰেচনে বিভাগটোৰ এই নির্দেশক অযৌক্তিক আখ্যা দি তৎক্ষণাতে প্রত্যাহাৰৰ দাবী জনাইছিল। সংস্থাটোৰ মতে, প্রশাসনে আবাসিক চিকিৎসকসকলৰ ব্যক্তিগত জীৱন নিয়ন্ত্রণ কৰাৰ পৰিৱর্তে তেওঁলোকৰ কর্তব্যৰ সময় নিয়ন্ত্রণ কৰাত গুৰুত্ব দিয়া উচিত।

এই সন্দর্ভত সামাজিক মাধ্যমত প্রতিক্রিয়া প্রকাশ কৰি সংস্থাটোৱে কয়, “আবাসিক প্রশিক্ষণ স্নাতকোত্তৰ পাঠ্যক্রম, সন্ন্যাসৰ শপত নহয়।”

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/4399/amch-pgt-marriage-order-withdrawn